# উষা-পৰিণয়

সূচী


| | | |
|---|---|---|
| ১। | গ্ৰন্থাৰম্ভ আৰু বাণাসুৰ পৰিচয়— | ১ |
| ২। | উষাৰ জন্ম আৰু শোণিতপুৰত নানা বিমঙ্গল— | ৬ |
| ৩। | বাণাসুৰৰ গৰ্ব্ব— | ৭ |
| ৪। | হৰ-পাৰ্ব্বতীৰ বিলাস— | ১২ |
| ৫। | উষাৰ স্বামীলাভ কামনা— | ১৪ |
| ৬। | অনিৰুদ্ধৰ স্বপ্ন দৰ্শন— | ১৬ |
| ৭। | অনিৰুদ্ধৰ অনঙ্গ বিকাৰ— | ২১ |
| ৮। | অনিৰুদ্ধৰ প্ৰতি শ্ৰীকৃষ্ণৰ প্ৰবোধ বাক্য— | ২৬ |
| ৯। | উষাৰ স্বপ্ন— | ২৮ |
| ১০। | উষাৰ বিলাপ— | ৩১ |
| ১১। | চিত্ৰলেখাৰ আগমন— | ৩৪ |
| ১২। | চিত্ৰলেখাৰ আগত উষাৰ স্বপ্ন বৰ্ণনা— | ৩৬ |
| ১৩। | চিত্ৰলেখাৰ প্ৰবোধ বাক্য— | ৩৯ |
| ১৪। | চিত্ৰলেখাৰ চিত্ৰ কৰ্ম্ম— | ৪০ |
| ১৫। | চিত্ৰলেখাৰ দ্বাৰকাপুৰ বৰ্ণনা— | ৪৪ |
| ১৬। | চিত্ৰলেখাৰ নাৰদৰ লগত সাক্ষাৎ— | ৪৮ |
| ১৭। | চিত্ৰলেখাৰ নৈৰাশ্য— | ৪৯ |
| ১৮। | নাৰদৰ উপায় নিৰ্দ্দেশ— | ৫০ |
| ১৯। | চিত্ৰলেখাৰ অনিৰুদ্ধৰ অন্তঃপুৰ প্ৰবেশ— | ৫৩ |
| ২০। | কুমাৰ হৰণ— | ৫৫ |
| ২১। | অগ্নিগড় দেখি অনিৰুদ্ধৰ ত্ৰাস— | ৬০ |
| ২২। | চিত্ৰলেখাৰ আশ্বাস— | ৬১ |
| ২৩। | উষা অনিৰুদ্ধৰ বিবাহ— | ৬২ |
| ২৪। | বাণাসুৰক গন্ধৰ্ব্ব বিবাহৰ সংবাদ প্ৰদান— | ৬৭ |

২৫। বাণৰ ক্ৰোধ— ... ... ৬৮
২৬। অনিৰুদ্ধৰ উত্তৰ— .... .... ৭৩
২৭। বাণাসুৰৰ ওচৰত দৈত্যসেনাৰ পৰাজয় কথন ও বাণাসুৰৰ ক্ৰোধ— ৭৬
২৮। বাণাসুৰৰ যুদ্ধ সজ্জা— ... ... ৮৩
২৯। অনিৰুদ্ধৰ প্ৰবোধ— ... ... ৮৭
৩০। বাণ অনিৰুদ্ধৰ যুদ্ধ— ... ... ৯৩
৩১। বাণাসুৰৰ মায়া আৰু নাগপাশত কুমাৰ বন্দী— ... ৯৭
৩২। উষাৰ বিলাপ— ... ... ১০৫
৩৩। উষাৰ প্ৰতি অনিৰুদ্ধৰ প্ৰবোধ বাক্য— ... ১০৭
৩৪। অনিৰুদ্ধৰ দেবী স্তুতি, দ্বাৰকাত কুমাৰ অন্বেষণ— .... ১০৯
৩৫। অনিৰুদ্ধৰ বিয়োগ সম্পৰ্কে দ্বাৰকাত জল্পনা-কল্পনা— .... ১১৬
৩৬। নাৰদৰ যাদৱ সভালৈ আগমন আৰু অনিৰুদ্ধৰ সংবাদ প্ৰদান— ১২০
৩৭। শ্ৰীকৃষ্ণ-হলধৰ আৰু প্ৰদ্যুম্নৰ শোণিতপুৰ অভিমুখে সসৈন্যে যাত্ৰা— ... ... ১২৪
৩৮। গৰুড়ৰ দ্বাৰা অগ্নি নিৰ্ব্বাপন— ... ... ১২৯
৩৯। বীৰত্ৰয়ৰ শোণিতপুৰ প্ৰবেশ আৰু যুদ্ধাৰম্ভ— .... ১৩০
৪০। জ্বৰাসুৰৰ লগত কৃষ্ণ-বলৰামৰ যুদ্ধ— ... ... ১৩৭
৪১। মহাদেৱৰ ৰণ-সজ্জা— ... ... ১৪৩
৪২। হৰিহৰৰ বাক বিতণ্ডা— ... ... ১৪৯
৪৩। কাৰ্ত্তিকৰ যুদ্ধ আৰু পৰাভৱ— ... ... ১৫৫
৪৪। বাণাসুৰৰ যুদ্ধ-যাত্ৰা— ... ... ১৬৪
৪৫। শঙ্কৰৰ অনুৰোধত বাণৰ প্ৰাণ ৰক্ষা— ... ... ১৭৫
৪৬। চিত্ৰলেখাৰ দ্বাৰা উষাক যুদ্ধৰ সংবাদ প্ৰদান— ... ১৭৮
৪৭। চিত্ৰলেখা উষা অনিৰুদ্ধৰ লগত কৃষ্ণ-বলৰামৰ মিলন— ১৮২
৪৮। উষা অনিৰুদ্ধৰ বিবাহ উৎসৱ— ... ... ১৯৩

—:(০):—

PRAG... LIBRARY. No. 1 Date ... GAUHATI.

# উষা-পৰিণয়

শ্ৰীকৃষ্ণায় নমো নমঃ।

—:*:—

(পদ)

গ্ৰন্থাৰম্ভ আৰু বানাসুৰৰ পৰিচয়

দৈৱকী নন্দন জয় কৃষ্ণ নৰহেতু।
যাৰ নাম অনুপাম ভৱসিন্ধু সেতু ॥
যাক সুমৰণে বাঢ়ে সম্পদ সবাৰ।
বিঘিনি পলাই সাত সাগৰৰ পাৰ ॥ ১
শ্যাম তনু সঙ্গে ধেনু অঙ্গে গোষ্ঠ ৰেণু।
মুকুটে ময়ুৰ পুচ্ছ কৰে বন বেণু।
মুকুটৰ আশে পাশে কিশলয় ভাল।
শ্ৰৱণত গুঞ্জাফল, কণ্ঠে বনমালা ॥ ২
ললাটে তিলক শোভে হাতে বেত ছৰি।
কলেৱৰে পীতবাস কাষে শিঙ্গা দড়ি ॥
সুৰ মুনিগণে যাক ধিয়ানে নাপায়।
হেন নাৰায়ণ গোপ শিশু সঙ্গে ধায় ॥ ৩
নাহি আদি অন্ত যাৰ স্বৰূপ আকাৰ।
হেন দেৱ ভৈল যদুকুলে অৱতাৰ ॥
দৈত্য মাৰি খণ্ডাইলাহা পৃথিবীৰ ভাৰ।
হেন নাৰায়ণে শুভ কৰন্ত সবাৰ ॥ ৪

শুনে যে হৰিৰ নাম হৰি বোলে মুখে ।
ধন-জন-পুত্র পৰিবাৰ বাঢ়ে সুখে ॥
বাঢ়ে পৰমায়ু নাশ কৰে ৰোগ শোক ।
জীৱন্তেতে যম জিনি যায় বিষ্ণুলোক ॥ ৫
কামতানগৰ সুৰপুৰ পৰতেক ।
তাত পীতাম্বৰ নামে আছে শিশু এক ॥
হৰিবংশ কথাসে উষাৰ পৰিণয় ।
যাহাক শুনিলে যম দুখ যাই ক্ষয় ॥ ৬
ধন ধান্য সম্পদ বঢ়ায় প্রতিনিত ।
অন্তকালে ৰথে চৰি চলয় ত্বৰিত ॥
যে কথা শুনিলে লোক সঙ্কট এৰাই ।
মনোৰথ সিদ্ধি হোয়ে বৈৰী ক্ষয় যাই ॥ ৭
এক পদ শুনে যদি সময় যাত্রাৰ ।
সৰ্ব্ব কাৰ্য্য সাধে সুখে আসে আৰোবাৰ ॥
শ্ৰৱণ ৰমণ কথা অমৃত মধুৰ ।
শুনিলে বিঘিনি খণ্ডে সম্পদ প্রচুৰ ॥ ৮
হেন মধুময় কথা কহে ধীৰগণ ।
শুনি পীতাম্বৰ কবি গুণে মনে মনে ॥
শ্লোকবন্ধে বেকত বৰ্ণায়া নিজমুখে ।
ৰচিব পয়াৰ ছন্দে যেন বুজে সুখে ॥ ৯
যেমিবা সকলে শুনি কহো মধুবাণী ।
কণ্ঠে পৰসন হৌক ভাৰতী গোসানী ॥
পুণ্য কথা শুনিতে লোকৰ আন মতি ।
একমনে শুনিলে বাঢ়ে বিচিত্র বিভূতি ॥ ১০
শ্ৰৱণ ৰমণ কথা শুনা একমনে ।
নাৰায়ণ পৰসনে পীতাম্বৰে ভণে ॥
যেন মতে চিত্ৰলেখা হৰিল কুমাৰ ।



হৈল গন্ধৰ্ব্ব বিহা সহিত উষাৰ ॥ ১১
শুনিয়াসে বানাসুৰ আইল বৰ ৰোষে ।
যিমতে কুমাৰক বান্ধিলা নাগ পাশে ॥
নাৰদে জনাইলা গৈয়া দেৱ নাৰায়ণ ।
শুনিয়া কৰিলা কোপ দেৱকী নন্দন ॥ ১২
গড়ুৰে চৰিয়া আইলা শোনিত নগৰ ।
সঙ্গে কামদেৱ আৰু বীৰ হলধৰ ॥
আগ বাঢ়ি দৈত্য ৰাজা কৰিলেক যুজ ।
চক্রে হানি ছেদিলেক সহস্রেক ভুজ ॥ ১৩
সেৱক ৰাখিতে তেৱে আসিলা শঙ্কৰ ।
শুনা কহি যেমনে যুজিলা হৰি হৰ ॥
বৈশম্পায়নে বোলে কথা শুনা জন্মিজয় ।
প্রচণ্ড দানৱ বান বলিৰ তনয় ॥ ১৪
তপ কৈলা বানাসুৰে অনেক বৎসৰ ।
ভৱানী সহিত তুষ্ট ভৈলন্ত শঙ্কৰ ॥
চড়িয়া বৃষভ কন্ধে কোলে মহামায়া ।
আইলা দেৱ মহেশ্বৰ কৈলাশ ছাড়িয়া ॥ ১৫
কি কাৰ্য্যে কৰহ তপ বোল উমাপতি ।
বৰ লহ তোৰ তপে তুষ্ট ভৈলো অতি ॥
বানাসুৰে দেখিলা আইলা গঙ্গাধৰ ।
প্রণাম কৰিয়া স্তুতি কৰিলা বিস্তৰ ॥ ১৬
কৰযোৰে বোলে দেৱ পৰম ঈশ্বৰ ।
যেবে বৰ দিবা কহো অৱধান কৰ ॥
তোমাৰ তনয় দেৱ কাৰ্ত্তিক গোসাই ।
বৰ দিয়োঁ হৱোঁ আমি তান শ্ৰেষ্ঠ ভাই ॥ ১৭
দেবী হৌক মায় বাপ তুমি ত্রিনয়ন ।
বৰ দেহ গোসানীৰ কৰো স্তন পান ॥

স্বৰ্গ মৰ্ত্ত্য পাতাল মোহোৰ হৌক বশ ॥
তিনি লোক ঘোষে যেন মোৰ বীৰ যশ ॥ ১৮
আমাৰ নগৰে প্ৰভু থাকিবা সদায়
যেথানে সুমৰো তৈতে দেখিবো সদায় ॥
বানৰ বচনে হাসে দেৱ উমাপতি ।
কি কহে দানৱে কথা শুনাহা পাৰ্ব্বতি ॥ ১৯
পুত্ৰৱতে অসুৰত দেহন্তোক বৰ ।
ই তিনি ভুৱনে যেন হোৱে মহাবীৰ ॥
যে শৌনিতপুৰে কাৰ্ত্তিকৰ উতপতি ।
সেহি দিনা দানৱক দিলা পশুপতি ॥ ২০
তিনিলোকে হৌক তোৰ প্ৰতাপ প্ৰচণ্ড ।
সংসাৰ জুৰিয়া যশ ৰহোক অখণ্ড ॥
পলাইবে তোহোৰ ভয়ে দেৱতা নিশেষে ।
মন কৈলে আমাক দেখিবি তোৰ দেশে ॥ ২১
যত বৰ চাহিলা সকলে দিলো বৰ ।
অনন্তৰে মহামায়া দিলা স্তন খীৰ ॥
পাইলা ময়ূৰ ধ্বজ দানৱ প্ৰধান ।
কৈলাসে আসিলা বৰ দিয়া ত্ৰিনয়ন ॥ ২২
আসিল দানৱ বীৰ শোনিত নগৰে ।
খেদাইল সকলে দেৱ আৰু পুৰন্দৰে ॥
শঙ্কৰৰ বৰেসে জিনিয়া লোক তিনি ।
আপুনে থাকিলে বায়ু বৰুণ অগনি ॥ ২৩
তিনি লোকৰ হৈল আপুনি অধিকাৰ ।
একথা থাকোক শুনা জনম উষাৰ ॥
বৈশম্পায়ন বোলে কথা শুনা জন্মিজয় ।
উপজিল কন্যা ৰূপে অতি মহাশয় ॥ ২৪
শতেক ভ্ৰাতৃৰ শেষে উষা ভৈলা জাত ।



সকল শৌনিতপুৰে বৰ উতপাত ॥
বিপৰীত ডাকে মেঘে ৰুধিৰ বৰিষে ।
উলুকা অনেক দেখি সমস্ত আকাশে ॥ ২৫
দক্ষিণ দিশত লোকে দেখে ধূমকেতু ।
উষাৰ জনম দৈত্য বিনাশৰ হেতু ॥
সকলে শৌনিতপুৰ গৃধিনীৰ মেলা ।
বনৰ হৰিণে নগৰত কৰে খেলা ॥ ২৬
শৃগালৰ ৰোল ৰাজা সভা বেঢ়ি বেঢ়ি ।
সৰ্পে আসি আলাপ কৰয় জড়াজড়ি ॥
বিমঙ্গল দেখি ৰাজা দানৱ প্ৰধান ।
শঙ্কৰৰ বৰে কিছু নাকৰে গিয়ান ॥ ২৭
মিছা বিমঙ্গলে কিবা কৰিবাক পাৰে ।
নাহি ত্ৰিভুবনে মোক বীৰে ৰণ কৰে ॥
জিনিলো কুবেৰ যম বৰুণ বাসৱ ।
আসে কোন এখন যুঝিতে কোন দেৱ ॥ ২৮
এ গুণিয়া হৰিষে থাকিলা বানাসুৰ ।
আইল উষাৰ ধাই চাৰি অন্তঃপুৰ ॥
হাত যোৰ বোলে দেৱে নাকৰি হৰিষ ।
ভাসায়ো কুমাৰী জলে নাহি কিছু দোষ ॥ ২৯
যত বিমঙ্গল ভৈল আপুনি দেখিয়ো ।
নিশবদে থাকিলাহা মনতে গুণিয়ো ॥
আজ্ঞা কৰা কুমাৰীক এৰো নিয়া জলে ।
তেৱেসে শোনিতপুৰ থাকিব কুশলে ॥ ৩০
প্ৰমাদ মিলিল লোক জানিবা আপুনে ।
নাৰায়ণ পৰসনে পীতাম্বৰ ভণে ॥ ৩১

## ১। ৰাগ ভাটিয়ালী ।

### (গীত)

উষাৰ জন্ম আৰু শোনিতপুৰত নানা বিমঙ্গল

নাথয়ো নাথয়ো গোসাই হে! কুমাৰী অলক্ষিনী ।
এ কন্যা ৰাখিলে পাছে মিলিব বিঘিনি ॥ ধ্রুং ॥

দেৱৰ কপট গোসাই হে, বুজিতে নপাৰি ।
মায়া কৰি আইলেক দেৱৰ কোন নাৰী ॥
স্বৰূপে জানিলো গোসাইহে, দেৱে পাতিলা মন্ত্রণা ।
ত্রিদশেৰ মায়াত স্থিৰ হৈব কোন জনা ॥ ৩২
তোমাৰ বাপ বলি ৰাজা হে, জগতে প্রধান ।
স্বৰ্গ মৰ্ত্ত্য পাতাল নাসহে যাৰ টান ॥
সে জনা নাভৈল স্থিৰ হে, দেৱে মায়া বলে ।
গোবিন্দ ছলিয়া তাক পঠাইলা পাতালে ॥ ৩৩
বিজয় ময়ূৰধ্বজহে, তোমাক দিলা পশুপতি ।
ভাঙ্গিয়া পৰিল কন্যা উপজিল ৰাতি ॥
মুক্ত কেশ কৰিয়া গোসাই হে. হৰি হৰি বিবসন হৈয়া ।
অন্তঃপুৰে কন্যা এক বেৰায় কান্দিয়া ॥ ৩৪
সপনে দেখিলো গোসাই হে, এহি কন্যাৰ কাৰণে ।
হইল সংগ্রাম বৰ গোবিন্দৰ সনে ॥
কৌটি কৌটি অসুৰ সেনা হে, গোসাই বধিলা শ্রীহৰি ।
দানৱ মৰণ লৈয়া জন্মিলা কুমাৰী ॥ ৩৫
মহাদেৱৰ কথা কহো হে, যে তোমাক দিলা বৰ
তিনি দেৱ ভিন্ন নাহি ব্রহ্মা-হৰি-হৰ ॥
কেহো স্রজে কেহো পালে হে, কেহো সংহাৰে আপোনে ।
সংসাৰ ভাণ্ডিতে বেৰাই এই তিনিজনে ॥ ৩৬



ৰাৰণক বৰ দিলা হে, হৰ ৰূপে নাৰায়ণ ।
ৰাম ৰূপে সংহাৰ কৰিয়া সেই জন ॥
নজানি সকল দেৱে হে, গোসাই কি কৈলা যুগুতি ।
দানৱেৰ বিনাশে কন্যাৰ উৎপতি ॥ ৩৭
আপদ খণ্ডোক গোসাই হে, হৰি হৰি কৰাহা আদেশ ।
আলক্ষনী কন্যা কৰি জলত প্রৱেশ ॥
কোপে বোলে দানৱ ৰাজ হে, হৰি হৰি ধাইৰ বচনে ।
নাৰায়ণ পৰসনে পীতাম্বৰ ভণে ॥ ৩৮

-ঃ-০-ঃ-

## ২। ৰাগ—পট মঞ্জৰী ।

### (গীত)

বানাসুৰৰ গৰ্ব্ব

কোপে বোলে বানাসুৰ
কে নাশিবে মোৰ পুৰ,
পাথৰে বান্ধিলা তাৰ কন্ধ ।
জিনিলো মই ত্রিভুবন,
বোল আছে কোন জন,
কে কৰে আমাৰ সনে দ্বন্দ ॥ধ্রু॥
শুনৰে ধাই অভাগিনী,
কি দেখাইছ চক্রপানি,
গোৱাল কুলত উৎপতি ।
আছোক যুঝিব ৰণে,
যেবে মোৰ নাম শুনে,
পলাইয়া যাইব কোন ভিতি ॥

তাৰ কি পৰাণে মোৰ, পশিব শৌনিত পু
কি কৰিতে পাৰে যদুগণে ।
কোপ কৰি সিংহ পাশে, হৰিণ আসিব কা
হেন কথা লয়ে তোৰ মনে ॥ ৩৯
যুঝে ইন্দ্ৰ কোপ মনে, প্ৰহাৰিয়া বজ্ৰ বা
কুলিশ ভাঙ্গিবো মুষ্টি ছোটে ।
যত দেৱ সেনাগণ, আগবাঢ়ি দিবো
সংগ্ৰামে বধিবো গোটে গোটে ॥
কাম্পে যাক ত্ৰিভুবন, হেন জনে কৈল
কোপে কৰি হাতে লৈয়া দণ্ড ।
মহাদেৱৰ পৰশনে, খেদাইলো যমক
হানিয়াসে বাণ পৰচন্দ ॥ ৪০
চন্দ্ৰ সূৰ্য্য হুতাশন আৰ দেৱ সমে
গ্ৰহগণ যুজিল আপোনে ।
জলপতি ধনেশ্বৰ যক্ষগন বিদ্যা
জিনি আইলো সপত পাতালি ।
নৱ খণ্ড বসুমতি তাত যত নৰপ
তৰাসে পঠায়া দিল মাল ॥ ৪১
দেৱ কম্পে মোৰ দৰে কি কৰিতে পাৰে
দেখি সব ভুজ পৰচন্দ ।
কি কৰিবে বিমঙ্গলে কে আছে মেদিনী
মোৰ আগে ৰহে এক দণ্ড ॥
শুনা ধাই অভাগিনী কেনে বোলে হেন বা
কোন জনা মোহোৰ উপৰে ।
মৰিবাক কাৰ সাধ মোৰ সমে কৰে
কেনে কন্যা ভাসাইবো সাগৰে ॥ ৪২



সাগৰৰ হেন জীউ ডুবাইবে মোহোৰ জীউ
আপুনি নাজানে নদীপতি ।
মানুষ হৈয়া শ্ৰীৰাম বান্ধিয়া সাধিয়া কাম
আমি ত্ৰিভুবনেৰ অধিপতি ॥ ৪৩
শুনা ধাই তোৰ বোলে কোপে মোৰ তনু জ্বলে
মোৰ শঙ্কা নাহি ত্ৰিভুবনে ।
মান্য চিনি যাহ ঘৰ কহে কবি পীতাম্বৰ
শ্ৰীহৰিৰ চৰন পৰসনে ॥ ৪৪

**(পদ)**

বৈশম্পায়ন বোলে কথা শুনা নৰপতি ।
আৰবাৰ বাণসুৰ কোপে বোলে আতি ॥
আসে ধাই সংগ্ৰামে কে আছে হেন বীৰ ।
যুজিবো সহস্ৰ ভুজে তেবে হৈব স্থিৰ ॥ ৪৫
ত্ৰিভুবনে জিনিয়া নাপাইলো যেৱে ৰণ ।
কৈলাসক গেলো যথা আছে ত্ৰিনয়ন ॥
গোচৰ কৰিলো গৈয়া শঙ্কৰৰ আগে ।
সহস্ৰেক ভুজ মোৰ শল্য হেন লাগে ॥ ৪৬
যত ভুজ বল মোৰ সবে অকাৰণ ।
সংগ্ৰাম নাপাইলো খুজি এতিনি ভুৱন ॥
হাসিয়া শঙ্কৰে হেন বুজিলন্ত মোক ।
পূৰ্ব্বে যে ময়ুৰধ্বজ দিয়া আছো তোক ॥ ৪৭
সেই ময়ুৰধ্বজ তোৰ ভাঙ্গিব যেখন ।
পাইবে সংগ্ৰাম ঘোৰ বুজিলো বচন ॥
এখন শুনিলো ধ্বজ পড়িল ভাঙ্গিয়া ।
চাহো মই হৃষিকেশ আসোক সাজিয়া ॥ ৪৮

ৰক্ত নাহি পিয়ে বহুদ্দিন মোৰ বাণে।
আসোক গোবিন্দ তাৰ লৈয়াবো পৰাণে ॥
চলহ পামৰী ধাই আপোনৰ ঘৰ।
নাৰায়ণ পৰসনে কহে পীতাম্বৰ ॥ ৪৯
বৈশম্পায়ন বোলে কথা শুন নৰপতি।
ৰাজাৰ বচনে ধাই ডৰাইলন্ত আতি ॥
কাম্পিতে কাম্পিতে গেল আপোনাৰ ঘৰ।
ঊষাৰ চৰিত্র কহো আত অনন্তৰ ॥ ৫০
ঊষা সময়ত কন্যা ভৈলা উতপতি।
অতি হৰষিত বাণাসুৰ দৈত্যপতি ॥
ঊষা নামে থৈলা যেন বিধি ব্যৱহাৰে।
বাঢ়ে ঊষা কন্যা তবে বাপৰ মন্দিৰে ॥ ৫১
অভিনৱ জলধৰ দৰশে সোণাৰ।
তাহাৰ উপৰে শোভে মুকুতাৰ হাৰ ॥
সুগন্ধ চন্দনে কৈল পয়োধৰ ভুষি।
কুচিত কমল মালা দিলন্ত কস্তুৰি ॥ ৫২
কচিৰ কাঞ্চুলি কুচ ঢাকিল সুন্দৰী।
নেতৰ আঞ্চোল তাত আভৰণ কৰি ॥
আতি কৃশোদৰী সিংহ জিনি মধ্যখীনী।
শ্রোণী ভাৰ ভৰে অতি বলিন্ত কিঙ্কিনী ॥ ৫৩
ৰামৰম্ভা বিপৰীত উৰুযুগ নিন্দে।
চৰণ দেখিয়া লাজ স্থল অৰবিন্দে ॥
দ্বিতীয়াৰ জোন নিস্কলঙ্কী কলানিধি।
কে জানে কতেক যত্নে নিৰমিল বিধি ॥ ৫৪
আতি অনুপাম নখাঙ্গুলি কুমাৰীৰ।
চৰণ ৰঞ্জিত চাৰু কনক মঞ্জিৰ ॥
পিন্ধিল বলয়া পৰিধানে নেত বাস।



অমৃত ৰুচিৰ মনোহৰ তাৰ হাস ॥ ৫৫
কোকিল কাকলি যেন মধুৰস বাণী।
প্রমত্ত মাতঙ্গ যেন চঞ্চল নয়নী ॥
শৈশৱ খণ্ডিয়াসে যৌৱন আগুসাৰ।
বসন্ত সময় তান মানস বিকাৰ ॥ ৫৬
ভুবন মোহন মনমথ আইল সাজি।
চুত মঞ্জৰিল বিকসিত বনৰাজি ॥
লবঙ্গ মাধই লতা আৰু পাৰিজাত।
অশোক কিংশুক আদি পুষ্প অসংখ্যাত ॥ ৫৭
মকৰন্দ পৰশে ৰঞ্জিত মহীতল।
তাতে ঠেকি সমীৰণ হৈলেক বিকল ॥
পুষ্পৰেণু পুষ্পৰস শৰীৰত লাগি।
ধীৰে ধীৰে সমীৰ সঞ্চাৰে অনুৰাগি ॥ ৫৮
ভ্রমৰে গুঞ্জৰে উনমত্ত মধু পানে।
পূৰিল সকল দিশ কোকিল নিঃস্বনে ॥
দানৱ নন্দিনী ঊষা হেনয় সময়ে।
গহন বেড়ায়া সে ভাবিলে হৃদয়ে ॥ ৫৯
ত্রিভুবন মহানন্দ সময়ে মধুমাস।
সংসাৰ জুৰিয়া লোক কাম অভিলাষ ॥
সখিগন সঙ্গে অঙ্গ কৰিয়া সুবেশ।
কুসুমিত কাননে কুমাৰী পৰবেশ ॥ ৬০ ॥
বন মাজে কেলি কৰে বনৰ হৰিণী।
যথা তথা কাম কেলি এপাখ পাখিনী ॥
দেখিয়া কুমাৰি ঊষা হাসে সখি সঙ্গে।
গহন বেৰায়া হাস লাস ৰস ৰঙ্গে ॥ ৬১
হেন কালে আইল সেহি বনে উমাপতি।
মদন মোহন অনুপাম ৰূপৱতী ॥

পুৰুষেৰ স্বৰূপ ভূষণ পৰিহৰি ।
কামে উনমত্ত বনে আইল ত্ৰিপুৰাৰি ॥ ৬২
হৰেৰ মূৰুতি কহু শুনা সাৱধানে ।
কহে পীতাম্বৰ নাৰায়ন পৰসনে ॥ ৬৩

—:০:—

## ৰাগ ভাটিয়ালী ।

### (গীত)

পাশ চাৰিয়া, জটা খাসায়া, বান্ধে মাথাৰ চুল ।
আশে পাশে দিয়া, আছে মাধাই চম্পাৰ ফুল যে ॥
গঙ্গা তেজিয়া পিন্ধোৰে, মালতিৰ গোটা গোটা ।
কপালে তিলকেৰ ৰেঘা, ছাৰিয়া চান্দেৰ ফোটা যে ॥৬৪
চৈত্ৰ মাসে দেবীৰ পাশে আইল ঠাকুৰ ভোলা ।
সঙ্গে সব দেৱ তৰুণী চাৰিয়া ভূতেৰ মেলা যে ।
ভস্ম গুচায়া চন্দন লেপিয়া সকল গায় ।
এগজ মুকুতাৰ হাৰ, পিন্ধিয়া গলায় যে ॥ ৬৫
কণ্ঠত আগৰ ৰেখা, গৰল কৰিয়া দূৰ ।
কৰ্ণেৰ ৰতন দোলে পায়ৰ নূপুৰ যে ॥
শিঙ্গা ডম্বৰু তেজিয়া মন্দিৰা লৈলা কৰে ।
ঠাকুৰ মদন মোহন গীত বোলায় সুস্বৰে যে ॥ ৬৬
হৃদয়ে পৰিজাত ফুল, ছাড়িয়া হাড়েৰ মালা ।
এ নেত পাটোনা পিন্ধে ছাড়িয়া বাঘৰ ছাল যে ॥



নয়ন কমলেৰ পত্ৰ আড় নয়নে চায় ।
ধুতুৰা তেজিয়া মধু পিয়ে খেমালি খেলায় যে ॥ ৬৭
বৃষ তেজিয়া, ৰথে চাৰিয়া, আইল ফুলেৰ বনে ।
কহে পীতাম্বৰ যে নাৰায়ন পৰসনে যে ॥ ৬৮

### (পদ)

বৈশম্পায়নে বোলে কথা শুনা নৰপতি ।
কুসুমিত বনে যেৱে আইলা পশুপতি ॥
মদন মোহন ৰূপ দেৱ ত্ৰিনয়ন ।
দেখিয়া মোহিত যত ৰমণীৰ মন ॥ ৬৯
এক অপেস্বৰা তাৰ নাম চিত্ৰলেখা ।
ৰমণীৰ মন মোহ হোৱে পাইলে দেখা ॥
মদনে মোহিত মন নাৰে ধৰিবাৰে ।
গৌৰীৰ অধিক ৰূপ ধৰি আপোনাৰে ॥ ৭০
দেখিয়া বিকল তবে হৈল পশুপতি ।
হাসে মহামায়া দেখি শঙ্কৰৰ গতি ॥
দেবী আজ্ঞা কৰিলা যতেক অনুচৰ ।
সকলে ধৰাহা ৰূপ যেহেন শঙ্কৰ ॥ ৭১
ঠাকুৰে নকৰে সৱে ভৈল একাকাৰ ।
দেবী বোলে চিত্ৰলেখা মনে কৰা সাৰ ॥
কোনজন শঙ্কৰ কাহাত তোৰ চিত ।
তাৰ সমে কৰা কেলি ঝাণ্টে হৰিষিত ॥ ৭২
লাজে চিত্ৰলেখা তবে হেট কৈল মাথা ।
আতি হাস্য শবদ উঠিল তবে তথা ॥
নানা কেলি কৌতূক শঙ্কৰ হেন মনে ।
সংহতি ভৱানী ৰঙ্গে ফিৰে বনে বনে ॥ ৭৩

আমিসে পাৰ্ব্বতী এহে জনে শূলপাণি।
বাপৰ সম্বন্ধে তই হোৱস নাতিনী ॥
আমাক দেখিয়া তোৰ হেন লয়ে মনে।
এইমতে তুমিও বেড়াবা স্বামী সনে ॥ ৮৪
বৈশাখ মাসৰ শুক্লপক্ষ দোৱাদশী।
দিন ক্ষয় দিবসে পাইবি স্বামী নিশি ॥
স্বপনে যে তোমাৰ পূৰিব অভিলাষে।
সেহিজনে তোৰ স্বামী হৈবেক অৱশ্যে ॥ ৮৫
আৰু কথা শুনা উষা আদেশ মোহোৰ।
আজি হন্তে চিত্ৰলেখা সখি ভৈলা তোৰ ॥
তোমাৰ মনেৰে কাজ এ দিবে সাধিয়া।
হৰিষিত ভৈলা উষা এ বোল শুনিয়া ॥ ৮৬
উষা বোলে ধন্য ধন্য জীৱন আমাৰ।
অনাদি জনমে তপ কৰিলো অপাৰ ॥
দেখিলো শঙ্কৰ গৌৰী আপন নয়নে।
মোৰ সম ধন্য নাৰী নাহি ত্ৰিভুবনে ॥ ৮৭
উষা বোলে নমো হৰ নমো মহামায়া।
নমো মহেশ্বৰ নমো গিৰীশ তনয়া ॥
নমো ত্ৰিনয়ন নমো নমো ত্ৰিনয়নী।
জগত জনক নমো জগত জননী ॥ ৮৮
প্ৰণাম কৰিলা উষা ভূমিত পৰিয়া।
শঙ্কৰ সহিতে তুষ্ট ভৈলা মহামায়া ॥
আপুনি গোসানী পাৰিজাত মালা লৈয়া।
উষাৰ গলত দিলা হাসিয়া হাসিয়া ॥ ৮৯
বৰপায়া উষা ভৈলা প্ৰসন্ন বদন।
চিত্ৰলেখা ৰথৰ নামিলা তেতিক্ষণ ॥
আলিঙ্গন কৰিল বুলিয়া চন্দ্ৰমুখী।



আজি হন্তে তুমি মোৰ ভৈলা প্ৰাণ সখী ॥ ৯০
কাৰ্য্য প্ৰয়োজনে মোক কৰিবা স্মৰণ।
তেতিক্ষণে মোহোক পাইবাহা দৰিশন ॥
থাক প্ৰাণ সখি দয়া নচাড়িবা মনে।
এবুলিয়া ৰথত চড়িলা তেতিক্ষণে ॥ ৯১
পাৰ্ব্বতী সহিত হৰ চলিলা কৈলাশে।
চিত্ৰলেখা পৰবেশ আপোন আৱাসে ॥
বৰ পায়া উষা আতি হৰষিত মনে।
ঘৰক আসিল সঙ্গে লৈয়া সখীগণে ॥ ৯২
বৈশম্পায়নে বোলে কথা শুনা নৰেশ্বৰ।
কৈলাসক গেল যেৱে পাৰ্ব্বতী শঙ্কৰ ॥
একদিন বিৰলে বসিয়া মহামায়া।
কামসেনা যক্ষিণীক আনিলা ডাকিয়া ॥ ৯৩
দেৱী বোলে কামসেনা ধৰ গুৱা-পান।
কহিছি গোপন কথা কৰ অৱধান ॥
উষাৰ স্বৰূপে লৰ দ্বাৰকা নগৰ।
স্বপনে ছলিয়া আইস কামেৰ কুমাৰ ॥ ৯৪
হেনৰূপে দেখা দেহ কামে যেন পোৰে।
উষা ছাড়ি মন যেন কোথাকো নলৰে ॥
আলিঙ্গনে চুম্বনে ভুলাবা তাৰ মতি।
উষা ধৰি মন যেন ভাবে দিন ৰাতি ॥ ৯৫
গোসানীৰ বোল যেৱে শুনিলা যক্ষিণী।
উষাৰ স্বৰূপ যেন ধৰিলা তেখনি ॥
দিব্য আভৰণ পড়ে আতি অনুপাম।
ৰতনে ৰঞ্জিত হাৰ সুৱৰ্ণৰ কাম ॥ ৯৬
কস্তুৰী চন্দন গন্ধে অঙ্গ বিভূষিতা।
বান্ধিলা লোটন তাই মাধয়িৰ সেঁতা।
নেতৰ বসন পিন্ধে হাতে লৈলা বেণু।

কুচ যুগে লেপিল কেশৰ পুষ্প ৰেণু ॥ ৯৭
অতি স্বৰূপিতা সুশোভিত দেখি ভূৰু।
চন্দনৰ তিলকতো মাজত অগুৰু ॥
কটাক্ষে ভাঙ্গিতে পাৰে মুনিৰ ধিয়ান।
শৰীৰেৰ পৰসনে জাগে পাঞ্চ বাণ ॥ ৯৮
মোহিনী মূৰুতি ধৰি চড়ি দিব্য ৰথে ॥
দণ্ড দুই প্ৰৱেশিল দ্বাৰকা নগৰী।
দিন অন্ত গৈল তবে প্ৰসন্ন শৰ্ব্বৰী ॥ ৯৯
যথা আছে অনিৰুদ্ধ কামেৰ কুমাৰ।
কামসেনা লৰিলা কুমাৰ চলিবাৰ ॥
সোণাৰ খাটত অনিৰুদ্ধ পাৰে নিন্দ।
ৰজনীত মুদিত নয়ন অৰবিন্দ ॥ ১০০
কুমাৰেৰ স্বৰূপে আবাস শোভা কৰে।
শৰতেৰ চান্দ যেন সুমেৰু শিখৰে ॥
চাৰিভিত বেড়িল সকল নাৰীগণে।
প্ৰহৰ ধৰিল সবে পৰম যতনে ॥ ১০১
কেহো কেহো চামৰ দোলায় ধীৰে ধীৰে।
কেহো মৰ্দ্দে চৰণে কোমল দুই কৰে ॥
কোলাত বৈসায়া কেহো থৈয়া নিন্দ যায়।
কেহো গন্ধ চন্দনে লেপিতে আছে কায় ॥ ১০২
হেনকালে কামসেনা ভৈলা পৰবেশ।
পৰিল ঘৰেৰ মাজে দেবীৰ আদেশ ॥
পাতিলা মোহনি-মায়া সবে নিদ্ৰা গৈলা।
ধীৰে ধীৰে কুমাৰৰ পাশে চলি গৈলা ॥ ১০৩
হৰিবংশ পুণ্যকথা সম্পদ উদয়।
শুনিলে সকলো দুঃখ বৈৰী যায় ক্ষয় ॥
খণ্ডিবে বিঘিনী যদি শুনে একমনে।
কহে পীতাম্বৰ নাৰায়ণ পৰসনে ॥ ১০৪

—:)(0)(:—

## ৰামগিৰি ৰাগ।

### (গীত)

স্বৰ্গ ছাড়িয়া কামসেনা নামিল ভূমিতে।
ধৰিয়া উষাৰ ৰূপ কুমাৰে ছলিতে যে ॥
কৰ্পূৰ তাম্বুল মুখে লহৰী খেলায়।
কুমাৰেৰ সন্মুখে গিয়া আড় নয়নে চায় যে। ১০৫
খসাইল লোটন বান্ধী পিঠে পড়িয়া লুলে ॥
অনিৰুদ্ধৰ স্বপ্ন দৰ্শন — আৰবাৰ বান্ধ দিয়া মালতিৰ ফুলে যে ॥
অঙ্গমূৰা দিয়া কন্যা দুই বাহু তুলিয়া।
শ্ৰীফলক যোৰ কুচ দেখায় হাসিয়া যে ॥
খেণে আসে খেণে যায় খেণে থাকে ৰৈয়া।
খেণে আড় নয়নে কুমাৰক আছে চায়া যে ॥ ১০৬
চলিতে নাজানে ঘনে যায় কোনভিতি।
অকাৰণে হাসে খণে খণে কোপ মতি যে ॥
খসাইল কুণ্ডল আৰবাৰ পিন্ধে কাণে।
খণে খণে আগে ৰৈয়া কিবা কেনে মনে যে ॥ ১০৭
দেখিয়া কুমাৰেৰ মন বিকল কামশৰে।
আঞ্চোলে ধৰিয়া সে মিনতি কৰে ধীৰে যে ॥
প্ৰাণ ৰাখ শশীমুখী আলিঙ্গন দিয়া।
কহে পীতাম্বৰ হৰি চৰণে বন্দিয়া যে ॥ ১০৮

(গীত)

শুন শুন শুন খঞ্জন নয়নি প্ৰাণ ৰহে কেন মনে।
তোমাক দেখিয়া, তনু মোৰ অথিৰ, বিকল মদন বানে যে॥
সপনে কামিনী, দেখিয়া তখনি, কুমাৰ মদন ভোলে।
বচন মিনতি নামানি নশুনে, বুজায় ধৰি আঙ্কোলে॥ ১০৯
চান্দ জিনি তোৰ, মুখ মনোহৰ, অধৰ অমিয়া আশে।
বিলম্বনে তোৰ, এ মন চকোৰ আকুল ভৈল পিয়াসে যে॥
দৰশণ দিয়া, নাযায়ো ভাণ্ডিয়া, আৰ কি পৰাণ ৰহে।
পুৰুষৰ বধে তিৰী বড় পাপী মুনিগণে হেন কহে যে॥ ১১০
নয়ন শৰে তনু মোৰ জড়জড়, কত কোপ তোৰ আছে।
আলিঙ্গন দিয়া লৈ যাহ কিনিয়া, প্ৰাণ যায় জানু পাছে যে॥
মদন সৰ্পে তনু মোৰ দংশিল নাহি আৰ পৰকাৰ।
গায় বিষে মোৰ তনু বিয়াকুল ঔষধ তোৰ শৃঙ্গাৰ যে। ১১১
লোভ পাশে ধৰি বান্ধে ভিৰি ভিৰি এৰাইতে নাহিকে সন্ধি।
যত বোল বুলি শ্ৰৱনে নুশুনা কি তই নিঠুৰ আতি।
কোন বিধি তোৰ তনু নিৰমিল পাথৰে বান্ধিয়া মতি যে॥ ১১২
দোষ দেখা যেৱে দণ্ড কৰা তেৱে বান্ধিয়া এভুজ পাশ।
হৰি পৰসনে পীতাম্বৰে ভণে নকৰা প্ৰাণ নৈৰাশ॥

——০:0:০——



অনিৰুদ্ধৰ অনঙ্গ বিকাৰ

বৈশম্পায়ন বোলে কথা শুনা নৰপতি।
অনিৰুদ্ধে বোলে কোপ নাকৰ যুৱতী॥ ১১৩
যত ধন-জন মোৰ তোমাৰ অধীন।
নিধুবন ৰতন তাম্বুলে মোক কিন॥
মোৰ স্ত্ৰী সব দাসী আমি তোৰ দাস।
আলিঙ্গন দেহ প্ৰাণ নাকৰ নৈৰাশ॥ ১১৪
তুমিসে ৰতন মোৰ সংসাৰেৰ সাৰ
সবে দ্বাৰকাপুৰ আমাৰ অধিকাৰ॥
যে হৰি স্ৰজিলে ত্ৰিভুবন দিন ৰাতি।
ত্ৰৈলোক্যৰ ঠাকুৰ আমিসে তাৰ নাতি॥ ১১৫
তেন নাৰায়ণেৰ আমিসে মূল ভাৰ।
সকল দ্বাৰকাপুৰে আমি অধিকাৰ॥
যিনা বোল বোলো তাকে কৰিয়ো যতনে।
প্ৰাণ যায় তৰুণী জীৱন যায় ক্ষণে॥ ১১৬
তৃন হাতে লৈয়া নিকটে কন্যাৰ।
মদন সাগৰ মজো কৰিয়ো উদ্ধাৰ॥
এ বুলিয়া কুমাৰ উঠিল কাম ভোলে।
আঙ্কোলে ধৰিয়া সে মিনতি বাক্য বোলে॥ ১১৭
লোমঞ্চ ভাবিনী কম্পে বিবৰ্ণ শৰীৰ।
তনু তন্ত্ৰ অস্ফুট বচন নোহে স্থিৰ॥
ৰতিৰস নিশেষ বুলিতে নজুৱায়।
পৰিব পিছলি গুৰু গৌৰব সভায়॥ ১১৮
মায়াৰূপে যক্ষিণী কুশল ৰতি ৰসে

কুমাৰ মদন শাস্ত্রে পণ্ডিত নিশেষে ॥ ১১৯
একে কলাৱতী আৰু দেবীৰ আদেশে ।
প্ৰতি প্ৰতি ৰতি অনু ভাবিল অশেষে ॥
সকলে ৰজনী নিৰন্তৰে ৰতি ৰঙ্গে ।
দুইৰ হৃদয়ে আতি খেড়িত অনঙ্গে ॥ ১২০
অনন্তৰে যক্ষিণী নাগৰী মায়াৱতী ।
মুহিলেক কুমাৰ মদন শৰে আতি ॥
বস্ত্র লৈয়া ৰথে চড়ি চলিল কৈলাস ।
হেন কালে নিশি শেষে সূৰ্য্যৰ প্ৰকাশ ॥ ১২১
জাগিল কুমাৰ পায়া এ কাম হুতাশ ।
কোথা গেল কন্যা বুলি চাহে আশে পাশ ॥
উত্তম মন্দিৰ পালঙ্গিৰ তলে চাহে ।
কন্যা কন্যা দেখি আতি পাইলা কাম মোহে ॥ ১২
কন্যা কোথা গেল বুলি খণে যায় ধায়া ।
একখান শতবাৰ আইশে যায় চায়া ।
হৰিবংশ পুন্যকথা সম্পদ উদয় ।
হৰি পৰসনে পীতাম্বৰে বিৰচয় ॥ ১২৩

—:o:—

### ৰাগ বড়াৰি ।

(গীত)

সপনে কি মোৰ হৈয়া গেলৰে ।
হৰি হৰি কাৰে নাবোলে এড়িয়া গেল মোৰে ॥
এখনে আছিলো কামিনী কোলাত কৰিয়া ॥



কোন দেৱে লৈয়া গেল হাতৰ হৰিয়া ॥ ১২৪
সকল ৰজনীৰে বঞ্চিলা মোৰ সনে ।
ৰতি ৰঙ্গ ছাৰিয়া লুকাইল কোন থানে ॥
ৰজনী কথা যে সকলে পাসৰিয়া ।
কি তোমাৰ কপট লুকাইলা দুখ দিয়া ॥ ১২৫
আৰ কি পৰাণ ধৰিব তুৱা বিনে ।
পাইবে পুৰুষ বধে আমাৰ মৰণে ॥
শ্ৰৱণ বিকল মোৰ সে কথা শুনিতে ।
নয়ন আকুল প্ৰিয়ে তোমাক দেখিতে ॥ ১২৬
মন মধুকৰ মোৰ আকুল পিয়াসে ।
তনু ছাড়ি নাযায় অধৰ মধু আশে ॥
কি দোষ দেখিয়া গেলা কপটে ভাণ্ডিয়া ।
মনপ্ৰাণ লৈয়া সে শৰীৰখানি থৈয়া ॥ ১২৭
সব তাপ খণ্ডে তোমাক দৰশনে ।
কহে কবি পীতাম্বৰ হৰি পৰসনে ॥ ১২৮

### ৰাগ—সুহাই ।

( গীত )

কুমাৰ বিষাদে কান্দে কাহাক সম্মতি নাদে
কাল হুয়া গেল মোৰ ৰাতি ।
সপনে পৰাণ লৈয়া কোথাত লুকাইল প্ৰিয়া
হেন কি দাৰুণ স্ত্ৰী জাতি ॥ ১২৯
আপুন যুৱতী সঙ্গে আছিলো মই ৰতি ৰঙ্গে
কোথাহৈতে আইলা অভাগিনী ।

কপটে সে দিয়া ৰতি বিকল কৰিয়া আতি
দিয়া মোক বিৰহ অগনি ॥ ১৩০
ধৰিতে নাপাবি বুক মদন দহয় দুখ
শুনিয়া হৃদয় ধৰো কেনে ।
নিৰমিল লোকপতি পাথৰে বান্ধিয়া মতি
সত্যে মোৰ হেন লয়ে মনে ॥ ১৩১
তোমাৰ বসতি যথা নাপুছিলো তাৰ কথা
কাহাৰ নন্দিনী কোন দেশে ।
আপোন থাকিয়া ভোলে তোমাক কৰিয়া কোলে
আছিলো মদন ৰতি আশে ॥ ১৩২
ঘৰে মোৰ নাহি কাজ ভ্ৰমিবো সকলে ৰাজ
যবে তোমাক নেপাম দৰশন ।
সত্যে বোলো শশীমুখি মৰিবো অনল ভক্ষি,
তবে তোৰ সুখ হৈব মনে ॥ ১৩৩
তেজিলো ৰতন ধন, আৰ যত নাৰীগণ,
লৰিলো মই তোমাৰ উদ্দেশে ।
উদ্দেশ নাপাওঁ যেবে, ইদেশে নাহিবো তেবে
প্ৰাণ পৰিহৰিবো অৰণ্যে ॥ ১৩৪
বান্ধি জটা ভাৰ শিৰে, দণ্ড কমণ্ডলু কৰে,
বাহিৰাইল কামেৰ কুমাৰ ।
নাৰায়ণ পৰসনে. কবি পীতাম্বৰে ভণে,
কৰিবাৰ উদ্দেশে কন্যাৰ ॥ ১৩৫

—:০:—



( পদ )

বৈশম্পায়ণে বোলে কথা শুনা নৰপতি ।
লৰিল কুমাৰ কামে ব্যাকুলিত অতি ॥
নাহি ভয় লাজ সে মদনে উন্মত্ত ।
দেখিয়া ডৰাইল অন্তঃপুৰে নাৰী যত ॥ ১৩৫
হৰি জনাইবাক লোক ধাইল অশেষ ।
প্ৰনাম কৰিয়া বোলে শুনা হৃষিকেশ ॥
ছলিত নয়নে কহে বহে ঘন শ্বাস ।
দেখিয়া ত্ৰৈলোক্য নাথে কৰিলা আশ্বাস ॥ ১৩৬
হৰি বোলে খৰে কহ শঙ্কা ছাড়ি মনে ।
মোৰ বাক্য কি কৰিব কাহাৰ পৰাণে ॥
কথাৰ আশায়ে দেৰে হেন লক্ষি মনে ।
কোন বা নাৰীক ভেট পাইলন্ত স্বপনে ॥ ১৩৭
যেমতে বঞ্চিল নিশি কহ তাৰ গুণ ।
সুমৰি সুমৰি বাঢ়ে বিৰহ দাৰুণ ॥
নাকৰে তোমাক শঙ্কা নাহি কৰে লাজ ।
ঘণে ঘণে কহে স্বপনৰ যত কাজ ॥ ১৩৮
খণে উঠে খণে শুতে খণে খণে বৈসে ।
খণে খণে উষাৰ মন্দিৰ চায়া আশে ॥
খণে সে কন্যাক চিন্তে হইয়া এক মতি ।
খণে খণে আলিঙ্গন কৰে বসুমতী ॥ ১৩৯
কিবা কথা মনে কহে বুজিতে নাপাৰি ।
খণে নিৰন্তৰ নয়নৰ বহে বাৰি ॥
খণে খণে লোমাঞ্চিত সকলে শৰীৰ ।
স্তব্ধ হইয়া থাকে খণে খণে সে অস্থিৰ ॥ ১৪০
বিৰহৰ চৰিত্ৰ বেকত সৰ্ব্ব অঙ্গে ।

ক্ষীণ হৈল কুমাৰ মদন ৰতি ৰঙ্গে ॥
অবশেষে ধৰি আছে সন্যাসীৰ বেশে ।
যাত্ৰা কৈল কুমাৰ যে যাইতে বিদেশে ॥ ১৪১
হাতে দণ্ড কমণ্ডলু লৈয়া হৈল সাথ ।
আপন নাতিৰ কথা কৈল যদুনাথ ॥
শুনিয়া দূতেৰ কথা ত্ৰিভুবন পতি ।
অনিৰুদ্ধ উদ্দেশ্যে লৰিল শীঘ্ৰে গতি ॥ ১৪২

নিৰুদ্ধৰ শ্ৰীকৃষ্ণৰ বোধ ক্য ।

সন্যাসীৰ বেশে অনিৰুদ্ধক দেখিয়া ।
হাসিয়া গোবিন্দ কোলে ধৰিলা আসিয়া ॥
আলিঙ্গন কৰিয়া চুম্বন কৈল হৰি ।
আপোন নাতিক তবে প্ৰবোধে দৈত্যাৰি ॥ ১৪৩
হৰি বোলে অনিৰুদ্ধ নাভাণ্ডিবা মোক ।
কাহাৰ বিৰহে হেন ৰূপ দেখি তোক ॥
লাজ পৰিহৰি মোত কৰাহা প্ৰচাৰ ।
মোৰ ঠাই লুকি নাহি এসব প্ৰকাৰ ॥ ১৪৪
যাক মনে বাঞ্চস আনিয়া দিবো তোক ।
কাৰ সনে ভৈল ভেট ব্যাক্তে কহ মোক ॥
লাজ পাইল কুমাৰ হৰিৰ কথা শুনি ।
হেট মুখে নিহালিয়া ৰহিল ধৰণী ॥ ১৪৫
যতনে গোবিন্দ পুছে নকহে কুমাৰ ।
কতোক্ষণে বোলে শুনা ত্ৰিভুবন সাৰ ॥
আজি ৰাত্ৰি দেখিলো যুৱতী এক নাৰী ।
ত্ৰৈলোক্য মোহিনী ৰূপে স্বৰ্গ বিদ্যাধৰী ॥১৪৬
তান সঙ্গে স্বপনে মই বঞ্চিলো ৰজনী ।
তাহাৰ বিৰহে প্ৰাণ দহে কাম অগ্নি ॥
সে নাৰী বিৰহে মোৰ নাৰহে পৰাণ ।



অনিৰুদ্ধ মৰে গোসাই হেন মতে জান ॥ ১৪৭
শুনি নাৰায়ণে হাঁসে নাতিৰ কাহিনী ।
হৰি বোলে এ ৰোগৰ আমি বৰ গুণী ॥
যে প্ৰকাৰে খণ্ডে তোৰ বিৰহেৰ ব্যথা ।
যে নাৰী দেখিলে তোক আনি দিবো এথা ॥ ১৪৮
সুস্থ হৈয়া থাক আমি কৰিব আদেশ ।
সপনে তোমাৰ সনে কাহাৰ প্ৰবেশ ॥
আকাৰ ইঙ্গিতে তাক অৱশ্যে চিনিবো ।
যাৰ সনে কৈলে ৰাত্ৰি তাকে আনি দিবো ॥ ১৪৯
আথে বেথে হেন কথা সাধিতে নাপাৰি ।
ভোক লাগিলে কি দুই হাতে ভক্ষ্য কৰি ॥
দূৰেৰ ৰতন কি ডাকিলে পাই হাতে ।
প্ৰকাৰ বিশেষ যাৱে নানি তথা হৈতে ॥ ১৫০
নাগৰ লোকেৰ তুমি নাবুজ চৰিত্ৰ ।
মনেৰ কামনা বুজে আকাৰে ইঙ্গিতে ॥
মন গোপনেৰ কথা বেকত নাকৰি ।
তেবেসে মনৰ কাৰ্য্য সাধিবাক পাৰি ॥ ১৫১
যখন যুৱত কাল আছিল আমাৰ ।
অনেক সহিয়া আছি কাম ব্যৱহাৰ ॥
আমাৰ চৰিত্ৰ কাজ লিখিব শকতি ।
বিকল কৰিলে গৰ্ব্ব কৰে স্ত্ৰী জাতি ॥ ১৫২
পৰৰ তিৰীৰ কাৰ্য্যে যাবা পৰ দেশ ।
যে কাৰ্য্যেক চাহি লোকে হাসিব অশেষ ॥
প্ৰবোধিয়া আপোন নাতিক যদুমণি ।
মদনৰ আবাসে প্ৰবেশ চক্ৰপাণি ॥ ১৫৩
হলধৰ সহিতে যুগুতি কৈল হৰি ।
প্ৰবন্ধ নাকৈলে নাতি ৰাখিতে নপাৰি ॥

মদনৰ আবাসে বেড়িয়া যদুগণে ।
ধৰিলা প্ৰহৰ নাৰায়ণৰ বচনে ॥ ১৫৪
অনন্তৰে নাৰায়ণে জগত প্ৰধান
গৰুড়ৰ আনিল আৰু বীৰ হনুমান ॥
পূৰ্ব্ব দুৱাৰত প্ৰভু থাকিল আপনে ।
দক্ষিণ দুৱাৰ ৰাখে বীৰ হনুমানে ॥ ১৫৫
পশ্চিম দুৱাৰত থাকিল খগেশ্বৰ ।
উত্তৰ দুৱাৰ ৰাখে বীৰ হলধৰ ॥
পুত্ৰক ৰাখিতে বিয়াকুল পঞ্চবাণ ।
চৌখে চৌখে চায়া থাকে কাৰ্য্য নাহি আন ॥ ১৫৬
বৈশম্পায়নে বোলে জন্মিজয় শুনা কথা ।
দ্বাৰকাপুৰত অনিৰুদ্ধ থাকে এথা ॥
উষাৰ চৰিত্ৰ কহো শোণিত নগৰে ।
যে কথা শুনিলে পাপ দুঃখ নাহি কৰে ॥ ১৫৭
পাৰ্ব্বতীৰ বড় পাইয়া উষা আইল ঘৰে ।
পাসৰিলা সবাকে কত দিনৰ অন্তৰে ॥
ৰাজাৰ কুমাৰী উষা স্বভাবেসে ভোলা ।
দেবী যে বুলি সে সকলে পাসৰিলা ॥ ১৫৮

উষাৰ স্বপ্ন

অনন্তৰে বৈশাখ মাসৰ দোৱা-দশী ।
তিথিক্ষয় উজ্জ্বল চন্দ্ৰমা অতি নিশি ॥
সোণাৰ পালঙ্গে উষা কৰিলা শয়ন ।
প্ৰথম প্ৰহৰ নিশি দেখিলা সপন ॥ ১৫৯
দেবীৰ মায়ায়ে দেখে সপন সুন্দৰী ।
পুৰুষেক আসিয়া লৈলেক কোলে কৰি ॥
আলিঙ্গন চুম্বন ৰমন প্ৰতি প্ৰতি ।
তাহাৰ সঙ্গমে উষা প্ৰথমা যুৱতী ॥ ১৬০
নখক্ষত কৰিব অসংখ্য পয়োধৰে ।



কিংশুক কুসুম যেন মেৰু মহীধৰে ॥
অধৰ খণ্ডিত সে দশন ক্ষত ঘাৱে ।
পুষ্পৱতী যুৱতী ঘৰ্ম্মিত সৰ্ব্ব গাৱে ॥ ১৬১
নিশেষ ৰমণ ৰঙ্গ উষাক শিখায়া ।
অন্তৰ্দ্ধ্যান ভৈলা তবে গোসানীৰ মায়া ॥
নিদ্ৰা ভঙ্গ হৈল তবে বাণেৰ কুমাৰী ।
দেখিয়া আপোন অঙ্গ লজ্জায়ে কাতৰি ॥ ১৬২
কি ভৈলা কি ভৈলা বুলি কান্দে শশীমুখী ।
ৰহিল কলঙ্ক সে দানৱকুল ঢাকি ॥
কোন পুৰুষকো নাহি মনে কিছু চাই ।
কলঙ্ক ৰাখিলা মোৰ কোন বিধতাই ॥ ১৬৩
ঋতুমতী আপোনাৰ দেখিয়া কুমাৰী ।
কান্দে নিৰন্তৰে নয়নেৰ ঝৰে বাৰি ॥
হেনকালে কুভাণ্ড যে মন্ত্ৰীৰ তনয়া ।
ৰামা নাম তাৰ আইল উষাক দেখিয়া ॥ ১৬৪
ৰামা বোলে শুনা শুনা মোৰ প্ৰাণ সখি ।
আজি কেনে তনু তোৰ আন মন দেখি ॥
কোন নাগৰেৰ পৰশন ভৈল বিধি ।
কাৰ কৰগত হেৰ দেহা হইল বিধি ॥ ১৬৫
যৌৱন ভাণ্ডাৰ তোৰ লুটিল কেমনে ।
কাৰ সনে নেহা মোক নাকহিস কেনে ॥
উষা বোলে শুনা সখি ভৈলা পৰমাদ ।
কোন পুৰুষেক নাহি মনে কৰো সাদ ॥ ১৬৬
হেলাত সপনে সখি আইল পুৰুষেক ।
সে জনেহে এত গতি মোক কৰিলেক ॥
যত পুৰীয়া সখি ৰহিল খাঙ্কাৰে ।
কি কথা কহিব গিয়া আগত পিতাৰে ॥ ১৬৭

দৃষ্টিত হাৰায় পিতা মোক বিদ্যমানে ।
দেখিলে বুলিবো কি আপুনি তেজো প্ৰাণে ॥
হেন কলঙ্কিত দেহা প্ৰাণ নাৰাখিবো ।
জ্বলায়া অনল সখি তাতে ঝাম্প দিবো ॥ ১৬৮
হেন ছাৰ শৰীৰে ৰাখিবে কোন কাজে ।
বিদাৰোক পৃথিবী লুকাম তাৰ মাজে ॥
অবিবাহী কন্যাৰ হইল হেন ঋত ।
আৰ কি থাক্কাৰ মোৰ ধৰে পৃথিবীত ॥ ১৬৯
ঝান্তে নৰশান কন্টি আন ৰামা সখি ।
কণ্টে দিয়া প্ৰাণ পৰিহৰো থাক দেখি ॥
উষাক আকুল দেখি বোলে সখী ৰামা ।
বোলে প্ৰাণ সখি কেনে ভাবিস অকামা ॥ ১৭০
মন দিয়া শুন পুৰুষেৰ কথা কহি ।
দেবী যে বুলিলা তাক সুমৰণ নাহি ॥
তুমি আমি আৰ সৱ সখীগন লৈয়া ।
বন বেৰাইতেসে দেবীক লাগ পায়া ॥ ১৭১
হৰেৰ সহিত কেলি কৰে মহামায়া ।
কামক বাঞ্চিত তুমি তাহাক দেখিয়া ॥
তোমাৰ দেখিয়া মন তবে ত্ৰিনয়নী ।
ডাক দিয়া পৰিচয় দিলেক গোসানী ॥ ১৭২
তোমাক পাৰ্ব্বতী পূৰ্ব্বে বুলিল হসিত ।
বৈশাখেৰ শুক্ল পক্ষ দ্বাদশী তিথিত ॥
দিন ক্ষয় নিশি শেষ দেখিবে স্বপনে ।
যে তোক ৰমিব ৰাত্ৰি স্বামী সেইজনে ॥ ১৭৩
যে বুলিল গোসানী ফলিল সেই কাজ ।
সে কথাকে কেনে পাসৰিলা মনমাজ ॥
পাৰ্ব্বতীৰ বৰে পতি পাইলা স্বপনে ।



অৱশ্যে তোমাক বিহা কৰিব সিজনে ॥ ১৭৪
ৰামাৰ বচনে উষা হৈলা হৰষিত ।
দেবীৰ বচন দৈবে কৈল আচম্বিত ॥
পুন্য কথা শ্ৰৱনৰ ৰমণ মধুময় ।
হৰি পৰসনে পীতাম্বৰে পৰিচয় ॥ ১৭৫

—ঃ০ঃ—

## ৰাগ বসন্ত ।

(গীত)

উষাৰ বিলাপ ।

এড়িয়া নাযায়ো প্ৰাণেৰ বল্লভ
কান্দে বিৰহিণী উষা ।
নষ্ট কৰা কেনে আপোনাৰ ধন
পাথৰে বান্ধিলা তোৰ মন ॥ ১৭৬
বসন্ত কালে সৱ ফুল ফুটিল
পৰাণ হিয়াৰ মাজে ।
পয়োধৰ জিনি কিংশুক ফুলিল
সংসাৰ ভৰিল লাজে ॥ ১৭৭
চূত কদম্বে ভ্ৰমৰাৰ ৰোল
কোকিল পঞ্চম গায় ।
বৈৰ হৈয়া গেল পৱন মন্দা
গগণে উদয় দাৰুণ চন্দা ॥ ১৭৮
সোণৰ খাটত কুসুমেৰ মশাৰি
গজ মুকুতাৰ থোপা ।

স্বামী লৈয়া তাতে বঞ্চিলোহো ৰাতি
সব আছে হে'ব নেদেখু পতি ॥ ১৭৯
কোন কুলক্ষণে পৰিলো নিন্দ
কাল হৈয়া গেল ৰাতি ।
যে বোল বুলিলা আৰেৰ চাৰা
প্ৰাণ লৈয়া গেল পাতিয়া মায়া ॥ ১৮০
ভাল নহে প্ৰভু তোমাৰ ই কাজ
কেনেনো নিঠুৰ হিয়া ।
অপোৰা বনত অগনি দিয়া
কেন প্ৰাণ নাথ গেল পলায়া ॥ ১৮১
মই জানো হেন মন তোমাৰ
কিকাৰ্য্যে বন্ধাইবো দেহা ।
মদন বাণে তনু মোৰ দহে
হৰিৰ দাস পীতাম্বৰে কহে ॥ ১৮২

—:০:—

## ৰাগ অহিৰ ।

### [গীত]

প্ৰভুৰে কোন দোষে গলা পৰিহৰি ॥
তোমাক স্ত্ৰী বধ দিয়া মৰিবো অনল খায়া
কান্দে উষা ৰাজাৰ কুমাৰী ॥ ১৮৩
এখন আমাৰ সঙ্গে আছিলা কৌতুক ৰঙ্গে
সম্প্ৰতি নেদে কথাত লুকায়া ।



স্বপনে ছলিয়া ৰাত্তি প্ৰাণ লৈয়া গেল কতি
কেৱল শৰীৰ খানি থৈয়া ॥ ১৮৪
কোপ কৰি গেলা কেনে কি দোষে দেখিলা মনে
ডাক পাৰে উষা অভাগিনী ।
সঙ্গে যাইবো দাসী হৈয়া ভাত কেনে পাতে মায়া
দহে প্ৰাণ দাৰুণ অগনি ॥ ১৮৫
স্বপনে বুলিলা মোক সত্যে উষা নিবো তোক
তুমি মোৰ প্ৰাণেৰ ঈশ্বৰী ।
ব্যৰ্থ ভৈলা অঙ্গীকাৰ কেনে কৈলা পৰিহাৰ
দয়া কৰা অভাগিনী নাৰী ॥ ১৮৬
কি মোৰ কৰম দোষ অকাৰণে কৰা ৰোষ
প্ৰাণ দহে তোক স্মৰণে ।
আমাক নিষ্ঠুৰ আতি হৈলা কেনে প্ৰাণপতি
অপযশ শঙ্কা নাহি মনে ॥ ১৮৭
চান্দ সূৰ্য্য দিবা ৰাত্ৰি বৈশ্বানৰ বসুমতী
সকলে কৰিলো হেৰা সাক্ষী ।
নাৰায়ণ পৰসনে কবি পীতাম্বৰে ভণে
দেখ হেৰ পৰাণ উপেক্ষি ॥ ১৮৮

---

### (পদ)

বৈশম্পায়ন বোলে কথা শুনা নৰপতি ।
মদন দহনে উষা ব্যাকুলিত অতি ॥
শৰীৰেৰ চন্দন ধুৱাইল জল দিয়া ।
গজ মুকুতাৰ হাৰ পেলাইল ছিঙ্গিয়া ॥ ১৮৯
দূৰ কৈল কপালেৰ সুৰঙ্গ সিন্দুৰ ।

নয়নে কাজলমুচে পায়েৰ নূপুৰ ॥
ছাড়িয়া সোণাৰ খাট বসিলা ভূমিত ।
যেন নিধি হাতৰ হৰাইলা আচম্বিত ॥ ১৯০
অচেতন ক্ষিতিতলে পৰিল ঢালিয়া ।
দেখি ৰামা সখিয়ে ধৰিলা আলিঙ্গিয়া ॥
ৰামা বোলে প্ৰাণ সখি শুন উপদেশ ।
মনেৰ যতেক তাপ খণ্ডিব নিশেষ ॥ ১৯১
চিত্ৰলেখা অপেস্বৰা হোৱে তোৰ সখী ।
তাকে ঝান্তে স্মৰণ কৰ বিধুমুখী ॥
চিত্ৰলেখা সত্য কৰি আছে তোৰ সনে ।
স্মৰণ কৈল তেহে আসিব এখনে ॥ ১৯২
সে বিনে তোমাৰ কাৰ্য্য কে পাৰে সাধিতে ।
ত্ৰিভুবনে যাৰ আগে নাই অবিদিত ॥
যাক মনে চাহিছ কৰাইব তাৰে দেখা ।
কৰ স্মৰণ সে আসোক চিত্ৰলেখা ॥ ১৯৩
ৰামাৰ বচন শুনি ৰাজাৰ কুমাৰী ।
ভালে বোলে সখি হেন হৃদয়ে বিচাৰি ॥
চিত্ৰলেখা বিনে মোৰ কে সাধিবে কাজ ।
তাৰ যত্নে স্বামী পাওঁ লয়ে মন মাজ ॥ ১৯৪
এমনে ভাবিয়া উষা বিৰহে দুখুনী ।
মনে বোলে সখী মোৰ শুনা দুঃখবাণী ॥
পাৰ্ব্বতীৰ আগে সখি বুলিলা আপনে ।

চিত্ৰলেখাৰ আগমন

যোগমনে চিন্তস সখি আসিব তেখনে ॥ ১৯৫
পূৰ্ব্বকালে সত্য কৰি আছে চিত্ৰলেখা ।
হেৰ স্মৰণ কৰো ঝান্তে দেহ দেখা ॥
মনতে কৰিল উষা স্মৰণ যবে ।
স্বৰ্গে থাকি চিত্ৰলেখা জানিলন্ত তবে ॥ ১৯৬



উষা সখি ডাক ছাড়ে হেন জানি মনে ।
শোনিত নগৰে আসিলন্ত তেতিক্ষণে ॥
চিত্ৰলেখা আইল উষা উঠিল দেখিয়া ।
দুই সখি অন্যো-অন্যে আলিঙ্গন দিয়া ॥ ১৯৭
উষা লৈয়া চিত্ৰলেখা বসিলা আসনে ।
বোলে সখি তোমাক মলিন দেখি কেনে ॥
কেনে পৰিহৰিলা বত্ৰিশ অলঙ্কাৰ ।
দিবসেৰ মুখে দেখো চান্দেৰ আকাৰ ॥ ১৯৮
অথিৰ হৃদয় দেখো মন বিচলিত ।
বিৰহ লক্ষণ দেখোঁ সখি অচম্বিত ॥
স্বস্থ হৈয়া সখি মোক কহ সব কথা ।
সাধিতে তোমাৰ কাৰ্য্য আমি আইলো এথা ॥ ১৯৯
উষা বোলে শুনা সখি দুখেৰ কাহিনী ।
কিবা ৰাত্ৰি কিবা দিন দহে কামাগনি ॥
লাজ এৰি সব কথা কহো তোক দেখি ।
জীৱনেৰ দোসৰ তুমিয়ে প্ৰাণসখি ॥ ২০০
হৰি বংশ পুন্য কথা পাপেৰ বিনাশ ।
বাঢ়ে পৰমায়ু সে সম্পদ পৰকাশ ॥
শ্ৰৱণ ৰমণ কথা শুনা এক মনে ।
কহে পীতাম্বৰ নাৰায়ন পৰসনে ॥ ২০১